# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে এইবাৰৰ জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ভৱিষ্যৎ নিৰুপণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, হিন্দী ভাষাই দেশক ঐক্যবদ্ধ কৰাত অভূতপূৰ্ব ভূমিকা পালন কৰি আহিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৪৮ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, ছিকিম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়, বিহাৰ, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ হিমালয়ৰ দাঁতিকাষকীয়া এলেকাসমূহত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে উপভোক্তাসকলক সুলভ মূল্যত পিঁয়াজ উপলভ্য কৰোৱাৰ বাবে পাইকাৰী বিক্ৰীৰ ৰণনীতি গ্ৰহণ কৰিছে।

*আৰু*

৫। ভাৰতে এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ পুল পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তানক ২-১ গলত পৰাস্ত কৰিছে।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু-কাশ্মীৰৰ দোদাৰ স্পৰ্টছ্ ষ্টেডিয়ামত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। শ্ৰী মোদীয়ে কয় যে, আমি একেলগে নিৰাপদ আৰু সমৃদ্ধিশালী জম্মু-কাশ্মীৰ গঢ়ি তুলিব লাগিব। তেওঁ কয় যে, এইবাৰৰ বিধানসভা নিৰ্বাচনে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ভৱিষ্যৎ নিৰুপণ কৰিব। শ্ৰী মোদীয়ে ভোটদাতাসকলক কয় যে, তেওঁলোকে ভৰষা কৰা ৰাজনৈতিক দলসমূহে তেওঁলোকৰ শিশুসকলক অৱহেলা কৰিছে আৰু নিজৰ পৰিয়ালৰ স্বাৰ্থহে সিদ্ধি কৰিছে। জম্মু-কাশ্মীৰ যুৱ প্ৰজন্ম সন্ত্ৰাসবাদৰ বিভিষিকাৰ বলী হৈছে আৰু পৰিয়ালবাদৰ প্ৰসাৰৰ চেষ্টা চলোৱা ৰাজনৈতিক দলসমূহে জনসাধাৰণক বিপথে পৰিচালিত কৰি আনন্দ লভিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, তেওঁ জম্মু-কাশ্মীৰৰ প্ৰতিটো শিশুক উন্নত শিক্ষা প্ৰদান কৰিব বিচাৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিগত কেইটামান বছৰত বিজেপি চৰকাৰে যুৱ প্ৰজন্মৰ কল্যাণৰ হকে কেন্দ্ৰীয় শাসিত অঞ্চলটোত কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয় মুকলি কৰিছে। বিজেপি চৰকাৰে শেহতীয়াকৈ দোদাত এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে জনাই অহা দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, হিন্দী ভাষাই দেশক ঐক্যবদ্ধ কৰাত অভূতপূৰ্ব ভূমিকা পালন কৰি আহিছে। তেওঁ কয় যে, হিন্দী ভাষা আৰু অন্য ভাষাসমূহৰ মাজত কোনো ধৰণৰ প্ৰতিযোগিতা নাই কাৰণ সেইবোৰৰ পৰস্পৰৰ পৰিপূৰক। নতুন দিল্লীত আজি ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, সকলো ভাষাৰ সুদৃঢ়কৰণৰ জৰিয়তেহে এখন শক্তিশালী ৰাষ্ট্ৰ গঢ়ি তুলিব পৰা যাব। তেওঁ কয় যে, ৰাষ্ট্ৰীয় শিক্ষা নীতিত শিশুসকলক মাতৃ ভাষাত শিক্ষা প্ৰদানৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। চৰকাৰে হিন্দী আৰু অন্য ভাষাৰ মাজৰ এনাজৰীডাল শক্তিশালী কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, হিন্দী ভাষাৰ প্ৰতিটো প্ৰবন্ধ, ভাষণ অথবা সাহিত্যকৃতি সকলো ভাৰতীয় ভাষালৈ আৰু ভাৰতীয় ভাষাৰ সকলো নিবন্ধ, ভাষণ বা সাহিত্যকৃতি হিন্দী ভাষালৈ অনুবাদ কৰা হ'ব। হিন্দী দিৱস উপলক্ষে গৃহমন্ত্ৰ্যালয়ৰ অধীনৰ ৰাজভাষা বিভাগে হিন্দী ভাষাই ৰাজভাষা হিচাপে স্বীকৃতি পোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰে। হিন্দী দিৱস উপলক্ষে আজি শ্ৰীশ্বাহে ৰাজভাষা ভাৰতী আলোচনীৰ হীৰক জয়ন্তী বিশেষ সংস্কৰণ উন্মোচন কৰে আৰু ৰাজভাষা গৌৰৱ তথা ৰাজভাষা কীৰ্তি বঁটাসমূহ প্ৰদান কৰে। হীৰক জয়ন্তী অধিক স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে অনুষ্ঠানত এটা স্মাৰক ডাক টিকট আৰু স্মাৰক মুদ্ৰা জাৰি কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জামছেদপুৰৰ এটা অনুষ্ঠানত ঝাৰখণ্ডৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকললৈ প্ৰথম কিস্তিৰ ধন হস্তান্তৰ কৰিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰায় ২০ হাজাৰ হিতাধিকাৰীৰ মাজত আৱণ্টন পত্ৰও বিতৰণ কৰিব। ইয়াৰ উপৰি ৫ কোটিৰো অধিক টকা এটা ক্লিকৰ জৰিয়তে হিতাধিকাৰীসকলৰ বেংক একাউণ্টৰ জৰিয়তে হস্তান্তৰ কৰা হ'ব। ৪৬ হাজাৰ হিতাধিকাৰীৰ নৱনিৰ্মিত বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰো আয়োজন কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীচৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে সোমবাৰে গুজৰাটৰ হিতাধিকাৰীসকললৈ আৰু মঙলবাৰে ওড়িশা তথা নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ নথকা সকলো ৰাজ্যৰ হিতাধিকাৰীলৈ কিস্তিৰ ধন হস্তান্তৰ কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰীয়ে যোগ্য হিতাধিকাৰীসকলক তালিকাত অন্তৰ্ভুক্ত কৰি বাসগৃহ আৱণ্টন সুনিশ্চিত কৰাৰ উদ্দেশ্যে আৱাস প্লাছ 2024 নামৰ এটা এপো মুকলি কৰিব। চৰকাৰ সমাজৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা বাসগৃহসমূহ এম জি এনৰেগা, স্বচ্ছ ভাৰত অভিযান, জলজীৱন মিছন, উজ্জ্বলা যোজনা আৰু সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ সৈতে সংযুক্ত কৰা হৈছে। তেওঁ কয় যে, এই আঁচনিৰ অধীনত অনাগত সময়ত ৩ লাখ ৬ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে ৩ কোটি অতিৰিক্ত বাসগৃহ নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ চতুৰ্থ পৰ্যায় আৰম্ভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই আঁচনিৰ অধীনত ৬২ হাজাৰ ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সকলো বতৰত ব্যৱহাৰৰ উপযোগী পথ নিৰ্মাণ কৰা হ'ব।

০০০০০০০

বিজেপি নেতা তথা অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দলৰ সদস্য ভৰ্তি অভিযানৰ অংশ হিচাপে অৰুণাচল প্ৰদেশৰ বিভিন্ন গাঁৱত সদস্য পদ প্ৰদান কৰিছে। ছদিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশত থকা নেতাগৰাকীয়ে দলৰ অসমৰ কাৰ্যকৰ্তাসকলক নিজ নিজ অঞ্চল তথা নিজৰ বুথত সদস্য ভৰ্তি অভিযান সফল কৰি তোলাৰ বাবে সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ঝাৰখণ্ডৰ জামছেদপুৰৰ টাটা নগৰ ৰে'লৱে ষ্টেচনৰ পৰা পতাকা জোকাৰি ৬ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ীসমূহে ঝাৰখণ্ডক অন্য ৰাজ্যৰ সৈতে সংযুক্ত কৰিব। ৰে'ল নেটৱৰ্কৰ আধুনিকীকৰণ আৰু ঝাৰখণ্ড তথা চুবুৰীয়া ৰাজ্যসমূহৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা প্ৰয়াসৰ অংশ হিচাপে এই ৰে'লগাড়ীসমূহৰ যাত্ৰা শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ঝাৰখণ্ডৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্পৰ শুভাৰম্ভ কৰা হ'ব।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে বন্দে ভাৰত ৰে'লগাড়ীসমূহৰ যাত্ৰাৰ শুভাৰম্ভ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি টাটা নগৰ ৰে'ল ষ্টেচন পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ গোপাল ময়দানত এখন জনসভাকো সম্বোধন কৰিব। সভাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ভল্টাছ ঘূৰণীয়া পথ বিভাজকৰ পৰা গোপাল ময়দানলৈকে প্ৰায় ডেৰ কিলোমিটাৰ দীঘলীয়া ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৪৮ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, ছিকিম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়, বিহাৰ, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ হিমালয়ৰ দাঁতিকাষকীয়া এলেকাসমূহত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত ছত্তিশগড় আৰু পূব মধ্যপ্ৰদেশতো মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে উপভোক্তাসকলক সুলভ মূল্যত পিঁয়াজ উপলভ্য কৰোৱাৰ বাবে পাইকাৰী বিক্ৰীৰ ৰণনীতি গ্ৰহণ কৰিছে। মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে বৰ্ধিত চাহিদা জড়িত পৰিস্থিতি আৰু মূল্য ধাৰাৰ ভিত্তিত পিঁয়াজৰ নিৰ্দিষ্ট আৰু স্থিৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে লগ লাগি কাম কৰি আছে। দেশৰ প্ৰতিটো পৰিয়াললৈ বহনসাধ্য মূল্যৰ পিঁয়াজৰ যোগান সুনিশ্চিত কৰাটো চৰকাৰৰ উদ্দেশ্য বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰ পিঁয়াজৰ মূল্যৰ ওপৰত নজৰ ৰাখিবলৈ বদ্ধপৰিকৰ। মন্ত্ৰালয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে ৰেহাই মূল্যত পিঁয়াজৰ খুচুৰা বিক্ৰীৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বাবে সামগ্ৰী বিধৰ মূল্য হ্ৰাস পাইছে। পাঁচ ছেপ্তেম্বৰৰ পৰা ভ্ৰাম্যমাণৰ বাহনৰ জৰিয়তে প্ৰতি কিলোত ৩৫ টকাৰ ৰেহাই মূল্যত পিঁয়াজৰ খুচুৰা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। দিল্লী, মুম্বাই আৰু চেন্নাইৰ লেখীয়া গুৰুত্বপূৰ্ণ চহৰসমূহত ইতিমধ্যে পাইকাৰী বিক্ৰীৰ উদ্যম আৰম্ভ হৈছে আৰু অনাগত দিনত এই ব্যৱস্থা হায়দৰাবাদ, বেংগালুৰু আৰু কলকাতাসহ সকলো ৰাজ্যৰ ৰাজধানী চহৰলৈ সম্প্ৰসাৰিত কৰা হ'ব।

০০০০০০০

ভাৰতে আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ পুল পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তানক ২-১ গলত পৰাস্ত কৰি জয়ৰ ধাৰা অক্ষুণ্ণ ৰাখে। পাকিস্তানে খেলৰ ৮ মিনিটত নদিম আহমেদৰ গলেৰে অগ্ৰগতি লাভ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীতে দুটা পেনাল্টি কৰ্ণাৰক গললৈ ৰূপান্তৰ কৰি বিজয় সাব্যস্ত কৰে। চাৰিবাৰকৈ খিতাপ দখল কৰা ভাৰতে ইতিমধ্যে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ ছেমিফাইনেল খেলসমূহ সোমবাৰে আৰু ফাইনেল খেলখন মঙলবাৰে অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত